দেশ

পঞ্জাৱত কর্মভূমি এক্সপ্রেছৰ ৪টা ডবাত জুই

পঞ্জাবৰ পাটিয়ালাত কর্মভূমি এক্সপ্রেছত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। ৰে'লখনৰ খাদ্য প্রস্তুত কৰা দবাৰ পৰা জুইৰ সূত্রপাত হৈ আন কেইটামান দবালৈ বিয়পি পৰে।

প্রকাশ: ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২২



পাটিয়ালা, ৬ নৱেম্বৰঃ পঞ্জাবৰ পাটিয়ালাত শুকুৰবাৰে দুপৰীয়া কর্মভূমি এক্সপ্রেছত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। পঞ্জাবৰ পৰা বিহাৰ অভিমুখে গৈ থকা ৰে'লখন ৰাজপুৰাত উপস্থিত হোৱাৰ সময়তে চৰাই বঞ্জাৰা গাঁৱৰ ওচৰত জুইৰ সূত্রপাত হয়। ঘটনাৰ পিছতে আতংকিত যাত্রীসকল ৰে'লৰ পৰা নামি আহে।

আজতকৰ প্রতিবেদন অনুসৰি, ৰে'লখনৰ খাদ্য প্রস্তুত কৰা দবাৰ পৰা জুইৰ সূত্রপাত হৈছিল। পিছলৈ জুই আন কেইটামান দবালৈ বিয়পি পৰে। ৰে'লৰ অগ্নি-সতর্কবাণী ব্যৱস্থা সক্রিয় হোৱাৰ পিছতে যাত্রীসকল সতর্ক হৈ ৰে'লৰ পৰা নামি আহে।

পাটিয়ালাৰ উপায়ুক্ত হিমাংশু আগৰৱালে জানিবলৈ দিয়া মতে, ঘটনাত কোনো লোকৰ মৃত্যু বা আঘাতপ্রাপ্ত হোৱাৰ খবৰ পোৱা হোৱা নাই। ইতিমধ্যে অগ্নিনির্বাপক বাহিনীয়ে জুই নির্বাপিত কৰিছে।

ঘটনাটোৰ পিছতে ৰে'লৱে উচ্চ পর্যায়ৰ তদন্তৰ নির্দেশ দিছে। অগ্নিকাণ্ডৰ প্রকৃত কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। ঘটনাৰ সকলো সম্ভাৱ্য দিশ তদন্তৰ আওতালৈ অনা হ'ব বুলি ৰে'লৱেৰ তৰফৰ পৰা জনোৱা হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/933/four-karmabhoomi-express-coaches-catch-fire-punjab